সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)

পাঠ - ১৬

প্ৰাচীন ভাৰতীয় শিক্ষা

অংশ - ১

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

গদ্যাংশ

প্রাচীন ভাৰতীয় শিক্ষা



হেমচন্দ্র গোস্বামী

লেখক -পৰিচয়

হেমচন্দ্ৰ গোস্বামী —

১৮৭২ চনত গোলাঘাটৰ ওচৰৰ ঢেকিয়ালত জন্ম। পিতৃ ভৱৰুধৰ গোস্বামী। হেমচন্দ্ৰ গোস্বামীয়ে নগাঁৱত স্কুলীয়া শিক্ষা লৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজত বি. এ. পৰ্যন্ত পঢ়ে। অসমত চৰকাৰী চাকৰি কৰি ই. এ. চি. ৰূপে অৱসৰ লয় ১৯২৫ চনত। অ. ভা. উ. সা. সভাৰ লগত জড়িত হৈ থকা কালতে 'জোনাকী'ৰ সম্পাদক হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


এওঁৰ 'প্ৰিয়তমাৰ চিঠি' প্ৰথম অসমীয়া ছনেট। কবিতা-সংকলন 'ফুলৰ চাকি'। 'কথা-গীতা', 'পুৰণি অসমৰ বুৰঞ্জী', 'অসমীয়া সাহিত্যৰ চানেকি', 'কামৰত্নতন্ত্ৰ' আদি উল্লেখযোগ্য ৰচনা। অসম সাহিত্য সভাৰ তেজপুৰ অধিবেশনৰ (১৯২০) সভাপতি। এওঁৰ বিশেষ যত্নত 'হেমকোষ' অসমীয়া অভিধান ছপা হয়।

অসমীয়া সাহিত্যত প্ৰত্নতাত্ত্বিক গৱেষণা আৰু প্ৰাচীন পুথি সম্পাদনাৰ অন্যতম পথ-প্ৰদৰ্শক ৰূপে সুপৰিচিত। ১৯২৮ চনত মৃত্যু হয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰাচীন ভাৰতীয় শিক্ষা



আর্য-শিক্ষাৰ মূলমন্ত্ৰ মোক্ষ লাভ হ'লেও তাক কর্ম, ভক্তি আৰু জ্ঞানৰ ভিতৰেদি পোৱাৰহে বিধান কৰিছে। প্ৰতি মানুহৰ পুৰুষার্থক চাৰিভাগে ভাগ কৰিছিল, যেনে-ধর্ম, অর্থ, কাম আৰু মোক্ষ। মোক্ষক পৰম পুৰুষার্থ বুলি ধৰিলেও তাৰ অধিকাৰী স্বভাৱতে কম হ'ব বুলি ভাবি সর্বসাধাৰণ মানুহৰ নিমিত্তে ধর্ম, অর্থ আৰু কাম এই তিনি বর্গৰ সাধনা বিধান কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনেকে ভুল কৰে যে হিন্দুৰ শিক্ষা আছিল মানুহক সংসাৰ ত্যাগী বা সংসাৰী কৰা। ত্যাগ কার্য শিক্ষাৰ চৰম উদ্দেশ্য হ'লেও অনাসক্ত ভোগকহে তেওঁবিলাকে ত্যাগী বুলি ধৰিছিল। প্রাচীন ভাৰতবর্ষত বিশ্ববিদ্যালয়বিলাক কেনেকৈ সৃষ্টি হ'ল সেই কথা ক'বলৈ গ'লে আৰু অনেক ক'ব লাগে। সেইদেখি এইখিনিতে আমি সেইবিলাকৰ নাম আৰু তাত কেনেকৈ ছাত্রবিলাকক পঢ়াইছিল তাকেহে মাত্র উল্লেখ কৰিম।

চহকী

আজিলৈ অনুসন্ধানৰ ফলত জানিব পৰা গৈছে যে প্ৰাচীন ভাৰতত এই ছটা বিশ্ববিদ্যালয় আছিল, যেনে-তক্ষশীলা, শ্ৰীধান্যকটক, নালন্দা, উদান্তপুৰী, দেৱবিহাৰ বা বিক্ৰমশীলা আৰু উজ্জয়িনী।

তক্ষশীলাত যি বিশ্ববিদ্যালয় আছিল, সি খ্ৰীষ্টপূৰ্ব এক শতিকালৈকে আছিল। এই বিশ্ববিদ্যালয়ৰ তলত কেইবাখনো চতুষ্পাঠী আছিল আৰু তাত ওঠৰ বিধ শিক্ষা দিয়া হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তাত ভাস্কৰ-বিদ্যা, চিত্রাংকন, মূর্তিকটা আৰু আন আন হাতেৰে কৰা বিদ্যা-শিক্ষা দিয়া হৈছিল। ইয়াতে অত্রেয় ঋষিয়ে আয়ুর্বেদ শিক্ষা দিছিল। বুদ্ধদেৱৰ চিকিৎসক 'জীৱক' এই অত্রেয় মুনিৰে ছাত্র আছিল। এই বিদ্যালয়তে জীৱকে সাত বছৰ পঢ়িছিল আৰু পাণিনি আৰু চাণক্যও এই বিদ্যালয়ৰে ছাত্র আছিল। এই বিদ্যালয়ত পঢ়িবলৈ পশ্চিমৰ পৰা, পাৰস্য দেশৰ পৰা ছাত্র আহিছিল আৰু বেকট্রিয়া আৰু মগধ দেশৰ পৰাও ছাত্র আহি পঢ়িছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

যেতিয়া ই হিন্দু বিশ্ববিদ্যালয় গুচি বুদ্ধ বিশ্ববিদ্যালয় হ'ল, তেতিয়া ইয়ালৈ চীনদেশৰ পৰাও বহুত ছাত্ৰ আহি পঢ়িছিল।

শ্ৰীধান্যকটক বিশ্ববিদ্যালয় অম্ৰাৱতী নগৰৰ ওচৰত আছিল, ইয়াত হিন্দু আৰু বৌদ্ধ দুয়োবিধ শিক্ষাকে দিয়া হৈছিল। এই বিশ্ববিদ্যালয়ো খ্ৰীষ্টপূৰ্ব এক শতিকালৈ বৰ্তমান আছিল। এই বিশ্ববিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল নাগাৰ্জুন।

নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অংকশাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

এই বিশ্ববিদ্যালয় খ্ৰীষ্টপূর্ব এক শতিকাৰ পৰা আঠ খ্ৰীষ্টাব্দলৈকে বর্তমান হৈছিল। এই বিশ্ববিদ্যালয়ৰ বাহিৰে-ভিতৰে দহ হাজাৰ ছাত্র আছিল। শীলভদ্র নামে এজন উদাসীন পণ্ডিত এই বিশ্ববিদ্যালয়ৰ বিখ্যাত অধ্যক্ষ আছিল। ইয়াত কোনো খৰচ নোলোৱাকৈ শিক্ষাদান কৰিছিল আৰু ইয়াত ব্যাকৰণ, তর্কশাস্ত্র, চিকিৎসাশাস্ত্র, দর্শনশাস্ত্র আৰু আধ্যাত্ম্যবিজ্ঞানৰ শিক্ষা দিয়া হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ইয়াৰ যিটো পুথিভঁৰাল আছিল সি ভাৰতবৰ্ষৰ সকলো পুথিভঁৰালতকৈ ডাঙৰ আছিল। সেই পুথিভঁৰালটো ন-তলীয়া আছিল আৰু তাৰ নাম আছিল ৰত্নোদধি। শিক্ষাগাৰটোত এশটা কোঠালিত এশটা শ্রেণী বহিব পাৰিছিল। এই বিশ্ববিদ্যালয়ৰ ছাত্রবিলাক ভাৰতবৰ্ষৰ সকলো ঠাইৰ ছাত্রৰ আদর্শ আছিল। সাতশ বছৰৰ ভিতৰত এজন ছাত্রৰো অশিষ্টাচাৰৰ কথা উল্লেখ নাই।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দেশ-বিদেশৰ ছাত্ৰ আহি নালন্দা ভৰি পৰিছিল, কিন্তু তাৰ শিক্ষাৰ আদৰ্শ ইমান ওখ আছিল যে কম ছাত্ৰইহে তাত প্ৰৱেশ লাভ কৰিছিল। এই বিশ্ববিদ্যালয়ত যেতিয়া চীনদেশৰ পৰিব্ৰাজক য়ুয়ানচ্যাঙে যোগশাস্ত্ৰ পঢ়ে তেতিয়া আমাৰ দেশৰ ৰজা ভাস্কৰ বৰ্মাই তেওঁক এই দেশলৈ আহিবলৈ অনুৰোধ কৰি চিঠি লিখে। নালন্দাৰ বিহাৰৰ ঠাইখন এতিয়া আৰ্কিয়োলজিকেল ডিপাৰ্টমেণ্টে খানি চোৱাত ভাস্কৰ বৰ্মাৰ চিঠিৰ

লগত যোৱা এটা পোৰা-মাটিৰ মোহৰ পোৱা গৈছে। কোনে ক'ব যে এই মোহৰটো ভাস্কৰ বর্মাই য়ুয়ানচ্যাঙক নিমন্ত্রণ কৰা পত্রৰ মোহৰ নহয়?

উদান্তপুৰৰ বিশ্ববিদ্যালয় পাল ৰজাবিলাকৰ আগৰে পৰা আছিল; কিন্তু খ্রীষ্টীয় ৮ম শতাব্দীতহে ই বিশেষ খ্যাতি লাভ কৰে। এই বিশ্ববিদ্যালয়ৰ এটা বহুমূলীয়া পুথিভঁৰাল আছিল, যাক মুছলমানবিলাকে ১২০২ খ্রীষ্টাব্দত নষ্ট কৰিলে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

বিক্রমশীলা বা দেৱবিহাৰ বিশ্ববিদ্যালয়। খ্ৰীষ্টীয় ৮ম শতাব্দীত ধৰ্মপাল ৰজাই ৰাজত্ব কৰে। এই বিশ্ববিদ্যালয়ৰ তলত ছটা উচ্চ বিদ্যালয় আৰু ১০৮ জন অধ্যাপক আছিল। এই বিদ্যালয় ৪০০ বছৰৰ পাছত নষ্ট হয়। ছাত্ৰ থাকিবৰ নিমিত্তে বিদ্যালয়ৰ গাতে লগা চাৰিখন সত্ৰ অৰ্থাৎ ছাত্ৰাবাস আছিল; তাত ছাত্ৰবিলাকে বিনা খৰচে খাবলৈ আৰু থাকিবলৈ পাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উজ্জয়িনীত যি বিশ্ববিদ্যালয় আছিল তাত একালত অর্থাৎ বিক্রমাদিত্যৰ ৰাজত্বৰ সময়ত ভাৰতবর্ষৰ সকলো পণ্ডিত লোকসকলৰ মিলনক্ষেত্র আছিল। এই বিশ্ববিদ্যালয়ত বিশেষকৈ জ্যোতিষশাস্ত্রৰ শিক্ষা দিয়া হৈছিল। এই বিশ্ববিদ্যালয় বুদ্ধদেৱৰ দিনতো প্রখ্যাত আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আৰ্যশিক্ষাৰ ৬৪ কলাবিদ্যাৰ শিক্ষা এই বিশ্ববিদ্যালয়বিলাকত তলত দিয়া ১১ টা বিভাগত দিয়া হৈছিল। (১) সাহিত্য, (২) গৃহপাল বিদ্যা, (৩) ৰন্ধন বিদ্যা, (৪) সাজ-সজ্জা আৰু পৰিচ্ছদ বিদ্যা, (৫) হাতেৰে কাম কৰা বিদ্যা, (৬) শিল্প বিদ্যা, (৭) বিজ্ঞান, (৮) সংগীত বিদ্যা, (৯) নাট্য বিদ্যা, (১০) শিষ্টাচাৰ বিদ্যা, (১১) শাৰীৰিক ব্যায়াম বিদ্যা।

ওপৰত কোৱা কথাৰ পৰা আপোনাসকলে ভালকৈ দেখিছে যে অন্যান্য সভ্যদেশত ছাত্ৰৰ শিক্ষাৰ নিমিত্তে যি বন্দৱস্ত কৰিছিল, এই দেশতো তাতকৈ কোনোমতে কম বন্দৱস্ত কৰা নাছিল। আগৰ কালৰ ছাত্ৰবিলাকে শিক্ষা লাভ কৰি নানা বিষয়ত যেনেকৈ সিদ্ধি লাভ কৰি নতুন নতুন তত্ত্ব আৰু সত্য আৱিষ্কাৰ কৰিছিল, এতিয়ানো ভাৰতবৰ্ষৰ ছাত্ৰই কিয় তেনে সত্য আৱিষ্কাৰ কৰিবলৈ সমৰ্থ নহয়?

যদিওবা দুই-এজনে ক'ৰবাত দুই-এক তত্ত্ব আৱিষ্কাৰ কৰিছে, সি ধৰ্তব্য নহয়। তেনেহ'লে কি ছাত্ৰ কি অভিভাৱক সকলোৱে এবাৰ ভাবি চোৱা উচিত নহয় নে যে এনে হ'বৰ কাৰণ কি? যদিওবা গৱৰ্ণমেণ্টে বছৰি কোটি কোটি টকা আমাৰ ল'ৰাৰ শিক্ষাৰ নিমিত্তে খৰচ কৰিছে আৰু যদিও লাখে লাখে ল'ৰাই শিক্ষা লাভ কৰিব লাগিছে তথাপি কিয় আজিকালি স্বাধীন চিন্তা কৰি নতুন তত্ত্ব বাহিৰ কৰিব পৰা ছাত্ৰৰ সংখ্যা ইমান কম?

মোৰ ক্ষুদ্ৰ বুদ্ধিয়ে যিমান ঢুকি পাইছে, এনে হ'বৰ প্ৰধান কাৰণ হৈছে আগৰ দিনত আজিকালিৰ দৰে শিক্ষাৰ উদ্দেশ্য চাকৰি নাছিল। আগৰ কালৰ শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ সজ বৃত্তিবোৰক ফুলাই তুলি অসৎ বৃত্তিবোৰক তুলি বা দলিয়াই পেলাই তেওঁক জীৱন যুদ্ধৰ নিমিত্তে ভালকৈ সাজু কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

শব্দার্থ আৰু টোকা

মোক্ষ : সংসাৰ বন্ধনৰ পৰা আতৰি অহা অৱস্থা অর্থাৎ নির্বাণ, মুক্তি।

পুৰুষার্থ : ধর্ম, অর্থ, কাম আৰু মোক্ষ পুৰুষৰ প্রয়োজনীয় এই চতুর্বর্গ; চেষ্টা বা যত্ন।

পাণিনি : সংস্কৃত ভাষাৰ প্রথম ব্যাকৰণ প্রণেতা। এওঁৰ সংস্কৃত ব্যাকৰণখন আঠটা অধ্যায়ত সম্পূর্ণ বাবে নামো অষ্টাধ্যায়ী। আদিৰ পৰা অন্তলৈকে ব্যাকৰণখনি সূত্রৰে বন্ধা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation




চাণক্য : মৌর্য বংশীয় ৰজা চন্দ্রগুপ্তৰ ব্রাহ্মণ মন্ত্রী। ৰাষ্ট্রবিজ্ঞানৰ এগৰাকী অতি বিচক্ষণ বুদ্ধিৰ লোক। এওঁৰ আন দুটি নাম বিষ্ণুগুপ্ত আৰু কৌটিল্য। 'অর্থশাস্ত্র' হ'ল তেওঁৰ বিশ্ববিখ্যাত গ্রন্থ।

মূল্যায়ন



১। চাণক্য কোনখন বিশ্ববিদ্যালয়ৰ ছাত্র আছিল ?



মূল্যায়ন




২। বুদ্ধদেৱৰ চিকিৎসকগৰাকীৰ নাম কি আছিল?



মূল্যায়ন





৩। 'নাগার্জুন' কোনখন বিশ্ববিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল ?

শিক্ষণকৈ

মূল্যায়ন





১। চাণক্য তলৰ কোনখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল

মূল্যায়ন





২। বুদ্ধদেৱৰ চিকিৎসকগৰাকীৰ নাম কি আছিল?

মূল্যায়ন





৩। 'নাগার্জুন' তলৰ কোনখন বিশ্ববিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল ?

মূল্যায়ন





২। ‘নাগার্জুন’ তলৰ কোনখন বিশ্ববিদ্যালয়ৰ প্রধান শিক্ষক আছিল ?